# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 20-04-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - -

## Headlines

-------------------

১। প্ৰধানমন্ত্ৰী আৱাস যোজনা-নগৰৰ অধীনত ৰাজ্যত এক কোটি ২০ লাখ পকীঘৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

২। পঞ্চায়ত নিৰ্বাচনৰ বাবে শাসক-বিৰোধীৰ ব্যাপক প্ৰচাৰ। নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰিবলৈ বিভিন্ন জিলা প্ৰশাসনৰ প্ৰস্তুতি।

৩। সাদিনীয়া ৰঙালী বিহুৰ শেষৰ দিনটো চেৰা বা এৰা বিহু হিচাপে পালন।

৪। তামুলপুৰৰ গোৰেশ্বৰত শৰণীয়া কছাৰী জনগোষ্ঠীৰ কেন্দ্ৰীয় বাঁহ গোসাঁই উৎসৱৰ সামৰণি ।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ আন এখন খেলত মুম্বাই ইণ্ডিয়ানছ, চেন্নাই ছুপাৰ কিংছৰ মুখামুখি।

০০০০০

প্ৰধানমন্ত্ৰী আৱাস যোজনা-নগৰৰ অধীনত ৰাজ্যত এক কোটি ২০ লাখ পকীঘৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে ইয়াৰ জৰিয়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰতিশ্ৰুতি আৰু দুখীয়া লোকৰ সপোন, এই দুয়োটাই পূৰ্ণতা লাভ কৰিছে।

০০০০০

অহা ২ আৰু ৭ মে’ত হ’বলগীয়া পঞ্চায়ত নিৰ্বাচনক লৈ ৰাজনৈতিক দলসমূহৰ মাজত তৎপৰতা বৃদ্ধি পাইছে। শাসক-বিৰোধীৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীসকলে ব্যাপক নিৰ্বাচনী প্ৰচাৰ চলাইছে। একেদৰে নিৰ্বাচন সুকলমে পৰিচালনা কৰাৰ বাবে বিভিন্ন জিলা প্ৰশাসনে ব্যাপক প্ৰস্তুতি চলাইছে। কামৰূপ জিলাত অহা ৭ মে’ত হ’বলগীয়া দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে জিলাখনৰ প্ৰিজাইডিং আৰু প’লিং বিষয়াসকলক দুদিনীয়াকৈ প্ৰশিক্ষণ প্ৰদান কৰা হয়। দক্ষিণ কামৰূপ মহাবিদ্যালয়ত এই প্ৰশিক্ষণ সম্পন্ন কৰা হৈছে। কামৰূপ জিলাৰ পলাশবাৰী, বকো-ছয়গাঁও, ছমৰীয়া, হাজো-শুৱালকুছি আৰু কমলপুৰ বিধানসভা সমষ্টিত জিলা আয়ুক্তই আৰু ৰঙিয়া বিধানসভা সমষ্টিৰ নিৰ্বাচন ৰঙিয়া সমজিলাৰ আয়ুক্তই পৰিচালনা কৰিব। জিলাখনত শান্তিপূৰ্ণভাৱে নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ ষ্ট্ৰং ৰুম, ভোটগণনা কক্ষ, তিনিটা স্থানত ক্ৰমে- দক্ষিণ কামৰূপ মহাবিদ্যালয়, আমিনগাঁও জিলা আয়ুক্তৰ কাৰ্যালয় আৰু ৰঙিয়াত সুকীয়াকৈ স্থাপন কৰা হ’ব বুলি জিলা আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে। জিলাখনৰ নিৰ্বাচন প্ৰস্তুতি সন্দৰ্ভত আমাৰ কামৰূপৰ সংবাদদাতা কৌশিক দাসে এইদৰে কয়-

**ভইচ (কৌশিক দাস)**

হোজাই জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তৰ প্ৰাৰ্থীসকলৰ সৈতে জিলা আয়ুক্তৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। নিৰ্বাচনী আচৰণ বিধি আৰু অন্যান্য বিষয় সন্দৰ্ভত বৈঠকত আলোচনা কৰা হয়। বৈঠকখনত নিৰ্বাচনী পৰ্যবেক্ষকৰ লগতে জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়া উপস্থিত থাকে। পঞ্চায়ত নিৰ্বাচনৰ সময়ত প্ৰাৰ্থীসকলে কি

কি কৰিব পাৰিব আৰু কি কি কৰিব নোৱাৰিব সেই সন্দৰ্ভত জিলা আয়ুক্তগৰাকীয়ে প্ৰাৰ্থীসকলক বুজাই দিয়ে। সামাজিক বাতাৱৰণ বিনষ্ট কৰিব পৰা কোনোধৰণৰ বক্তব্য প্ৰদান নকৰিবলৈ তেওঁ প্ৰাৰ্থীসকলক আহ্বান জনায়।

কাছাৰ জিলা প্ৰশাসনেও শান্তিপূৰ্ণভাৱে নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। কাছাৰৰ জিলা আয়ুক্ত মৃদুল যাদৱে ইয়াৰ বাবে কঠোৰ নিৰ্দেশনা জাৰি কৰিছে। প্ৰতিজন চৰকাৰী কৰ্মচাৰী আৰু নিৰ্বাচনী কামত নিয়োজিত প্ৰতিজন লোকক কৰ্তব্য, সততা আৰু নিষ্ঠাৰে দায়িত্ব পালন কৰিবলৈ জিলা আয়ুকগৰাকীয়ে আহ্বান জনায়। শিলচৰৰ তথ্য আৰু জনসংযোগ বিভাগৰ কাৰ্যালয়ত থকা নিৰ্দেশনাত যিকোনো ধৰণৰ গাফিলতি, অসাৱধানতা আৰু কৰ্তব্যৰ প্ৰতি অৱহেলাৰ ক্ষেত্ৰত প্ৰশাসনে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব। প্ৰয়োজন হ'লে চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ সিদ্ধান্তও জাননীত উল্লেখ কৰা হৈছে। এই নিৰ্দেশৰ জৰিয়তে জিলা প্ৰশাসনে নিৰ্বাচনী কৰ্মীসকলক সতৰ্কবাণীৰ সংকেত প্ৰদান কৰিছে।

বজালী জিলা প্ৰশাসনেও পঞ্চায়ত নিৰ্বাচনৰ বাবে ব্যাপক প্ৰস্তুতি চলাইছে। জিলাখনত নিৰ্বাচনকেন্দ্ৰিক কাম-কাজ সুচাৰুৰূপে পৰিচালনা কৰিবলৈ ইতিমধ্যে কেইবাটাও কোষ গঠন কৰা হৈছে। নিৰ্বাচন সুকলমে সম্পন্ন কৰাৰ বাবে কৃষি বিভাগৰ যুটীয়া সচিব বিপুল দাসক বজালীৰ পৰ্যবেক্ষক হিচাপে নিযুক্তি দিয়া হৈছে।

ooooo

অসম প্ৰদেশ বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই আজি কাছাৰ জিলাৰ ধলাইত পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ অভিযান আৰম্ভ কৰিছে। ধলাইত অনুষ্ঠিত বিজয় সংকল্প সমাৰেশত ভাষণ প্ৰদান কৰি শ্ৰীশইকীয়াই কয়, যে বৰাক আৰু ৰাজ্যখনৰ সৰ্বাংগীণ উন্নয়ন কৰাই বিজেপিৰ প্ৰধান লক্ষ্য। পঞ্চায়ত নিৰ্বাচনত বিজেপিয়ে জয়লাভ কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। উল্লেখযোগ্য যে ৰাজ্যিক সভাপতিৰ দায়িত্ব লাভ কৰাৰ পাছত প্ৰথমবাৰৰ বাবে বৰাকত উপস্থিত হোৱা শ্ৰীশইকীয়াক জিলা বিজেপিৰ জ্যেষ্ঠ নেতা আৰু সমৰ্থসকলে আদৰণি জনায়। ৰাজ্যিক বিজেপিৰ সভাপতিগৰাকীয়ে আজি হাইলাকান্দি আৰু শ্ৰীভূমি জিলাতো দলীয় নেতা-কৰ্মীৰ সৈতে মিলিত হয়।

ooooo

সপ্তদশ অসামৰিক সেৱা দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীৰ বিজ্ঞান ভৱনত আয়োজিত এদিনীয়া সন্মিলনত দেশৰ চৰকাৰী কৰ্মচাৰীসকলক উদ্দেশ্যি ভাষণ দিব। এই অনুষ্ঠানত প্ৰধানমন্ত্ৰী মোদীয়ে অগ্ৰাধিকাৰপ্ৰাপ্ত কাৰ্যসূচী আৰু উদ্ভাৱনসমূহৰ ফলপ্ৰসূ ৰূপায়ণৰ বাবে বিভিন্ন জিলা প্ৰশাসন, ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ বিভাগক উৎকৃষ্টতাৰ বঁটাও প্ৰদান কৰিব। প্ৰধানমন্ত্ৰীয়ে সামগ্ৰিক বিকাশ আৰু উদ্ভাৱনৰ কাহিনী সমৃদ্ধ এখন ই-বুক মুকলি কৰিব। এই উপলক্ষে কেবিনেট সচিব ড০ টি ভি সোমনাথনৰ অধ্যক্ষতাত নাগৰিক সেৱা সংস্কাৰ, প্ৰত্যাহ্বান আৰু সুযোগ বিষয়ক পূৰ্ণাংগ অধিবেশনৰ আয়োজন কৰা হৈছে। ইয়াৰ উপৰি অন্য চাৰিখন অধিবেশনো অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা তথা শক্তি মন্ত্ৰী মনোহৰ লালৰ অধ্যক্ষতাত নগৰীয়া পৰিবহন ব্যৱস্থা শক্তিশালী কৰাৰ বাবে এখন অধিবেশন অনুষ্ঠিত হ'ব। একেদৰে আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা আৰু আয়ুষ্মাৰ আৰোগ্য মন্দিৰৰ জৰিয়তে সুস্থ ভাৰত গঢ়াৰ লক্ষ্য সন্দৰ্ভত আন এখন অধিবেশনত কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জগত প্ৰকাশ নাড্ডাই অধ্যক্ষতা কৰিব। কেন্দ্ৰীয় মহিলা আৰু শিশু কল্যাণ মন্ত্ৰী অন্নপূৰ্ণা দেৱীৰ অধ্যক্ষতাত মিছন সক্ষম অংগনবাড়ী আৰু দ্বিতীয় পৰ্যায়ৰ পোষণ অভিযানৰ জৰিয়তে মহিলা আৰু শিশুৰ পৰিপুষ্টি সম্পৰ্কত এখন অধিবেশনৰ আয়োজন কৰা হৈছে। নীতি আয়োগৰ মুখ্য কাৰ্যবাহী বিষয়া বি ভি আৰ সুব্ৰমণিমৰ অধ্যক্ষতাত অভিলাষী উন্নয়ন খণ্ড সম্পৰ্কত এখন বৈঠক অনুষ্ঠিত হ'ব।

ooooo

সাদিনীয়া ৰঙালী বিহুৰ আজি শেষৰ দিনটো চেৰা বা এৰা বিহু হিচাপে পালন কৰা হৈছে। পৰম্পৰা অনুসৰি চেৰা বিহুৰ দিনা দৈ আৰু পঁইতা ভাত খোৱা হয় আৰু বিচনীৰে জুৰ লোৱা হয়। এনেদৰে বিচনীৰে জুৰ ল'লে বছৰটোলৈ দেহা শাঁত পৰি থাকে বুলি বিশ্বাস কৰা হয়। চেৰা বিহুৰ সৈতে বিভিন্ন ৰীতি-নীতি প্ৰচলিত আছে। ৰাজ্যৰ ঠায়ে ঠায়ে আজি বিহু উৰুওৱা বা বিহু ভঙা উৎসৱ পালন কৰা হয়। উজনি অসমৰ কোনো কোনো স্থানত আজি পৰম্পৰা অনুসৰি ৰাইজে বৰগছৰ গুৰিত হাঁচতি

আগবঢ়াই বিহু উৰুওৱাৰ প্ৰথা আছে। মাজুলীৰ কমলাবাৰী সত্ৰত আজি চেৰা বিহু উপলক্ষে পুৱাতে প্ৰসংগ শেষ হোৱাৰ পাছত গায়ন-বায়নৰ প্ৰসংগ বন্ধ ৰখা হয়। তদুপৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত মানুহ বিহুৰ দিনা লোৱা বিহুৱানবোৰ ধুই আজি বিহুক বিদায় দিয়া হয়।

ইপিনে নামনি অসমৰ বিভিন্ন প্ৰান্তত আজি সাতবিহু বা চেৰা বিহু উপলক্ষে সাতশাকিৰ পৰম্পৰা ৰক্ষা কৰা হয়। বিহুৰ সপ্তম দিন উপলক্ষে আজি সাতবিধ শাকৰ ভাজি খোৱা হয়। কোনো কোনো ঠাইত সাত শাক তুলিবলৈ যাওঁতে সাতশাকি গীত গোৱাৰো পৰম্পৰা আছে।

ৰাজ্যখনৰ বিভিন্ন স্থানত অনুষ্ঠিত বিহু সন্মিলনীয়ে উখল-মাখল পৰিৱেশত সৃষ্টি কৰিছে। মৰিগাঁও জিলা জাগীৰোডত দুদিনীয়া কাৰ্যসূচীৰে ৫৮ সংখ্যক কেন্দ্ৰীয় ৰঙালী বিহু অনুষ্ঠিত হৈছে। বিহু উপলক্ষে আয়োজিত সাংস্কৃতিক শোভাযাত্ৰা অভিনেত্ৰী চেতনা দাসে উদ্বোধন কৰে। সাংস্কৃতিক শোভাযাত্ৰাত বিহুৰ লগতে তিৱা, বড়ো, কাৰ্বি, ৰাভা, মিছিং, নেপালী, আদিবাসী আদি বিভিন্ন জাতি-জনগোষ্ঠীৰ কৃষ্টি প্ৰদৰ্শন কৰা হয়।

০০০০০

তামুলপুৰ জিলাৰ গোৰেশ্বৰত তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত শৰণীয়া কছাৰী জনগোষ্ঠীৰ কেন্দ্ৰীয় বাঁহ গোসাঁই উৎসৱৰ আজি সামৰণি পৰে। উৎসৱৰ আজি অন্তিম দিনা বাঁহ গোসাঁইৰ পৰিভ্ৰমণৰ পাছতে মাংগলিক ৰীতি-নীতিৰে পূজা অনুষ্ঠিত হয়। উৎসৱৰ সৈতে সংগতি ৰাখি অনুষ্ঠিত মুকলি সভাত অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, বিটিআৰৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়ো, মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, প্ৰাক্তন সাংসদ নব শৰণীয়াৰ লগতে কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। এই সন্দৰ্ভত তামুলপুৰৰ আমাৰ সংবাদদাতা নয়নজ্যোতি দাসে এইদৰে কয়–

**ভইচ (নয়নজ্যোতি দাস)**

বাক্সা জিলাৰ আন আন স্থানৰ লগতে ঐতিহাসিক শ্ৰীশ্ৰীকুজিদেওঁৰ দেৱালয়ত পাৰতলা উৎসৱ পালন কৰা হয়। পাৰতলা উৎসৱ উপলক্ষে পুৱাৰ ভাগত শাস্ত্ৰ পাঠ, হোমযজ্ঞ, বাঁহ গোসাঁই পৰিভ্ৰমণ আদি কাৰ্যসূচী অনুষ্ঠিত হয়। বিয়লিলৈ গোসাঁনীক মাংগলিক পৰিৱেশৰ মাজেৰে দেৱালয়ৰ প্ৰাংগণত উত্তোলন কৰাৰ পাছত মা কামাখ্যা গোসাঁই বাঁহডাল উত্তোলন কৰা হয়। ভক্তপ্ৰাণ ৰাইজে মা গোসাঁনীক সেৱা লোৱাৰ পাছত গোসাঁইৰ বাঁহডাল নমাই প্ৰায় ৫০ গৰাকী লোকে দৌৰোৱা প্ৰথা সম্পন্ন কৰে।

০০০০০

ধেমাজি জিলাৰ কুলাজানত ধেমাজি আৰু জোনাই বিধানসভা সমষ্টিৰ প্ৰথমগৰাকী বিধায়ক, প্ৰাক্তন মন্ত্ৰী ৰমেশ মোহন কুলিৰ প্ৰতিমূৰ্তি আৰু উদ্যানখন আজি আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। জোনাইৰ বিধায়ক ভূৱনে পেগুৱে আজি এই প্ৰতিমূৰ্তি আৰু উদ্যানখন উদ্বোধন কৰে। অনুষ্ঠানত অংশগ্ৰহণ কৰি শিক্ষামন্ত্ৰী তথা ধেমাজিৰ অভিভাৱক মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে জননেতাগৰাকীৰ বহুমূলীয়া অৱদানক সুঁৱৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। উল্লেখযোগ্য যে জননেতাগৰাকীৰ আদৰ্শ চিৰযুগমীয়া কৰাৰ প্ৰয়াসেৰে ২০২১ চনৰ পৰা প্ৰতিমূৰ্তি নিৰ্মাণ আৰু স্মৃতি উদ্যানৰ ন্যাস সমিতিয়ে অঞ্চলটোৰ ৰাইজৰ সহযোগিতাত নিৰ্মাণ কৰি উলিয়াইছে।

০০০০০

দৰং জিলাৰ ছিপাঝাৰ ভুক্তাবাৰী শীতলাবাৰী গাঁও নিবাসী মুক্তিযুঁজাৰু হৰেন্দ্ৰনাথ চহৰীয়াৰ জন্মশতবাৰ্ষিকী উপলক্ষে আজি ৰাজহুৱাভাৱে স্মৃতিচাৰণ কৰা হয়। এই উপলক্ষে দৰং জিলা মুক্তিযুঁজাৰু সন্মিলনৰ উদ্যোগত প্ৰয়াত চহৰীয়াৰ পৰিয়ালৰ সহযোগত শীতলাবাৰীত এখন সভা অনুষ্ঠিত হয়। এই সভাত ছিপাঝাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড০ ৰামচন্দ্ৰ ডেকাই মুক্তিযুঁজাৰুগৰাকীৰ জীৱন সম্পৰ্কে আলোকপাত কৰে। অনুষ্ঠানত সভাপতিত্ব কৰে মুক্তিযুঁজাৰু পৰিয়ালৰ সদস্য বিচিত্ৰ মেধিয়ে। অনুষ্ঠানত ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

বন্যপ্ৰাণীৰ সুৰক্ষাৰ দিশত উত্তৰ-পূব সীমান্ত ৰে'লৱেই গ্ৰহণ কৰি অহা গুৰুত্বপূৰ্ণ পদক্ষেপৰ অংশ হিচাপে ৰে'লৰেৰ লামডিং সংমণ্ডলৰ সুৰক্ষা বাহিনীয়ে অলপতে শিলচৰ ৰে'ল ষ্টেচনত অভিযান চলাই ৪৫০টা ভেকুলী উদ্ধাৰ কৰে। বাহিনীটোৱে প্লেটফৰ্মৰ সমীপত গৰাকীবিহীন তিনিটা মোনাত এই ভেকুলীসমূহ উদ্ধাৰ কৰে। সুৰক্ষা বাহিনীয়ে ভেকুলীসমূহ বৰাক উপত্যকা বন্যপ্ৰাণী সংমণ্ডলক গতাই দিয়ে। উল্লেখযোগ্য যে উত্তৰ-পূব সীমান্ত ৰে'লৱেই পাৰিপাৰ্শ্বিক ভাৰসাম্য বজাই ৰখাৰ প্ৰতি দায়বদ্ধতাৰে এনে ধৰণৰ ভালেমান কাৰ্য সম্পন্ন কৰিছে।

০০০০০

কামৰূপ জিলাৰ বাইহাটা চাৰিআলিৰ পুঠিমাৰীত এন ডি আৰ এফ বিৰ কাৰিকৰী কৌশল প্ৰদৰ্শনৰ অনুষ্ঠান আয়োজিত হৈছে। এই অনুষ্ঠানত প্ৰাকৃতিক দুৰ্যোগৰ সময়ত দুৰ্গতসকলক সহায় কৰিব পৰাকৈ জোৱানসকলক প্ৰস্তুত কৰাৰ বাবে প্ৰশিক্ষণ প্ৰদান কৰা হয়। এন ডি আৰ এফ বিৰ জোৱানসকলক প্ৰস্তুত কৰি ৰখাৰ বাবে প্ৰতি বছৰে প্ৰশিক্ষণ প্ৰদান কৰা হৈ আহিছে বুলি এন ডি আৰ এফ বিৰ বাহিনীৰ বিষয়াই প্ৰকাশ কৰিছে। কাৰিকৰী কৌশল প্ৰদৰ্শনত গুৱাহাটী মুখ্য কাৰ্যালয়ৰ ৪টা বেটেলিয়ান কোম্পানীয়ে অংশগ্ৰহণ কৰে। কাৰিকৰী কৌশল প্ৰদৰ্শন সন্দৰ্ভত এন ডি আৰ এফ বিৰ এগৰাকী বিষয়াই এইদৰে কয়—

**বাইট**

০০০০০

অসম চৰকাৰৰ ভাষিক সংখ্যালঘু উন্নয়ন বোৰ্ডৰ উদ্যোগত কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰৰ ১৬৪ সংখ্যক জয়ন্তী উপলক্ষে আজি শ্ৰীভূমিৰ সৰস্বতী বিদ্যানিকেতন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ৰবীন্দ্ৰ সংগীত আৰু ৰবীন্দ্ৰ নৃত্যৰ জিলা পৰ্যায়ৰ বাছনি প্ৰতিযোগিতা আৰম্ভ হৈছে। অনুষ্ঠানত দিয়া ভাষণত ৰাজ্যসভাৰ সাংসদ মিছন ৰঞ্জন দাসে কবিগুৰুৰ জীৱন আৰু কৃতিৰ ওপৰত আলোকপাত কৰে। অনুষ্ঠানত সাংস্কৃতিক ক্ষেত্ৰৰ সৈতে জড়িত কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

ৰাজ্যত যোৱা ১৪ এপ্ৰিলৰ পৰা পালন কৰা অগ্নি নিৰ্বাপক সেৱা সপ্তাহৰ আজি সামৰণি পৰে। এই সময়ছোৱাত ৰাজ্যৰ অগ্নি আৰু আপদকালীন সেৱা সঞ্চালকালয়ে অগ্নিকাণ্ডৰ পৰা হাত সাৰি থাকিবৰ বাবে জনসাধাৰণক সজাগ কৰিবলৈ ভালেমান কাৰ্যসূচী গ্ৰহণ কৰা হয়। ইয়াৰ লগতে ৰাইজক জুই লগা ঘটনাৰ পৰা হাত সাৰিবলৈ বিভিন্ন বিভিন্ন পৰামৰ্শ জাৰি কৰিছে। তদুপৰি ঘৰৰ পৰা ওলাই যোৱাৰ আগতে সকলো বৈদ্যুতিক সা-সঁজুলি আৰু ৰন্ধন গেছৰ ৰেগুলেটৰ বন্ধ কৰি যাবলৈও কোৱা হৈছে। ৰন্ধন গেছৰ চিলিণ্ডাৰত জুই লাগিলে আতংকিত নহয় ন'বটো বন্ধ কৰিবলৈ আৰু জ্বলি থকা চিলিণ্ডাৰ তিতা কাপোৰেৰে ঢাকিবলৈ পৰামৰ্শ দিয়া হৈছে।

০০০০০

গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ অভিযান্ত্ৰিক শাখাৰ টেকনিচিয়ান কিশোৰ কুমাৰ দাসৰ আজি মৃত্যু হয়। বিগত কিছুদিন ধৰি তেওঁ অসুস্থ হৈ আছিল। গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰই দাসৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে।

গোৱালপাৰা জিলাৰ দুধনৈৰ বিশিষ্ট সমাজকৰ্মী, অৱসৰপ্ৰাপ্ত শিক্ষক তথা ৰাভা হাছং ষষ্ঠ অনুসূচীৰ দাবী সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি গৌৰীশংকৰ ৰাভাৰ আজি দেহাৱসান ঘটে। ২০০৩ চনৰ পৰাই জাতীয় অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত জড়িত থকা ৰাভা বিভিন্ন ধৰ্মীয় আৰু সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানতো ওতঃপ্ৰোতঃভাৱে জড়িত আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৫ বছৰ। ৰাভাৰ মৃত্যুত ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাৰ লগতে ৰাভা জনগোষ্ঠীয় বিভিন্ন দল সংগঠন তথা ব্যক্তিবিশেষে শোক প্ৰকাশ কৰিছে।

০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটত অসমীয়া বিয়াৰ পৰিৱৰ্তন আৰু কিছু চিন্তা-দুঃচিন্তা বিষয়ক এটি বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব। এই অনুষ্ঠানৰ পৰিকল্পনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

আই পি এল ক্রিকেট প্ৰতিযোগিতাত আজি চণ্ডীগড়ত অনুষ্ঠিত খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে পাঞ্জাব কিংছক ৭ উইকেট পৰাস্ত কৰে। খেলখনত জয়ৰ বাবে প্ৰয়োজন হোৱা ১৫৮ ৰাণ ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে ৩টা উইকেটৰ বিনিময়ত সংগ্ৰহ কৰে। দলৰ হৈ বিৰাট কোহলীয়ে ৭৩ ৰাণত অপৰাজিত থাকে। অধিনায়ক ৰজত পাডিকালে ৬১ ৰাণৰ বৰঙণি আগবঢ়ায়। ইয়াৰ পূৰ্বে টছত হাৰি প্ৰথমে বেটিঙৰ আমন্ত্ৰণ লাভ কৰা পাঞ্জাব কিংছে নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ১৫৭ ৰাণ সংগ্ৰহ কৰে। পাঞ্জাবৰ হৈ প্ৰভসীমৰণ সিঙে ৩৩, শশাংক সিঙে ৩১, জছ ইংলিছে ২৯ আৰু মাৰ্ক’ জানছেনে ২৫ ৰাণৰ বৰঙণি আগবঢ়ায়। বেংগালুৰুৰ হৈ ক্ৰুণাল পাণ্ডিয়া আৰু সুয়াছ শৰ্মাই দুটাকৈ উইকেট দখল কৰাৰ বিপৰীতে ৰোমাৰীঅ’ ছেফাৰ্ডে এটা উইকেট দখল কৰে।

ইপিনে প্ৰতিযোগিতাৰ আনখন খেলত মুম্বাই ইণ্ডিয়ানছ চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব। খেলখন মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ’ব।

০০০০০

সমাপ্ত